ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা পানীৰ দ্বাৰা ফৰজ গোছল কৰিছিল, আৰু এক মুদ পানীৰে অজু সম্পন্ন কৰিছিল।

ছাফীনাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা পানীৰ দ্বাৰা ফৰজ গোছল কৰিছিল, আৰু এক মুদ পানীৰে অজু
সম্পন্ন কৰিছিল।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এক ছা' পানীৰে ফৰজ গোছল কৰিছিল, আৰু এক মুদ পানীৰে তেখেতে অজু কৰিছিল। চাৰি মুদ পৰিমাণক এক ছা বোলে, আনহাতে এক মুদ হৈছেঃ এজন সাধাৰণ মানুহৰ দুয়ো হাত এক লগ কৰি সেই আয়তনত যিমানখিনি বস্তু আহে তাক এক মুদ বোলে।

http://www.sunnah.global/hadeeth/as/show/65371